# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-06-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু-কাশ্মীৰৰ উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা সংযোগী ৰে'ল প্ৰকল্পটো ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

২। সেৱা, সু-শাসন আৰু গৰীব কল্যাণৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ কেন্দ্ৰৰ এন ডি এ চৰকাৰ ১১ বছৰ সম্পূৰ্ণ কৰাৰ দিশে অগ্ৰসৰ হৈছে।

৩। অসমৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহৰো বান পৰিস্থিতি সামান্য উন্নত হোৱা পৰিলক্ষিত হৈছে।

৪। ছিকিমত চটেনত আৱদ্ধ হৈ থকা পৰ্যটকসকলক উদ্ধাৰ কৰাৰ বাবে প্ৰশাসনে অহৰহ প্ৰচেষ্টা চলাই আছে।

*আৰু*

৫। ভাৰতৰ চিৰাগ ছেট্টি আৰু সাত্বিকসাইৰাজ ৰণকীৰেড্ডীৰ যুটীটো ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ মেন উই ছুং আৰু টি কাই ৱনৰ মুখামুখি হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু-কাশ্মীৰৰ কাট্ৰাত ৪৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ বহুমুখী প্ৰকল্পৰ আধাৰশিলা স্থাপন, উদ্বোধন আৰু ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। প্ৰধানমন্ত্ৰীয়ে জম্মু-কাশ্মীৰ আজি উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা সংযোগী ৰে'ল প্ৰকল্পটো ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। প্ৰায় ৪৪ হাজাৰ কোটি টকা ব্যয়েৰে ২৭২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰে'ল প্ৰকল্প ৰূপায়ণ কৰা হৈছে। পূৰ্ণ বৈদ্যুতিকীকৰণ কৰা এই পথচোৱাত ৩৬টা সুৰংগ আৰু ৯৪৩ খন দলং আছে। প্ৰধানমন্ত্ৰীয়ে লগতে উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা সংযোগী ৰে'ল প্ৰকল্পৰ অংশস্বৰূপ, বিশ্বৰ সৰ্বোচ্চ ৰে'ল আৰ্ক ব্ৰীজ, চেনাব দলং আৰু দেশৰ প্ৰথম কেবল ষ্টেড ৰে'ল ব্ৰীজ অনজি দলং মুকলি কৰিব। তেওঁ শ্ৰীমাতা বৈষ্ণোদেৱী কাট্ৰাৰ পৰা শ্ৰীনগৰলৈ আৰু শ্ৰীনগৰৰ পৰা কাট্ৰালৈ দুখন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। এই ৰে'লগাড়ী দুখনৰ নিয়মীয়া যাত্ৰা কাইলৈৰ পৰা আৰম্ভ হ'ব। শ্ৰীমোদীয়ে বিশেষকৈ সীমান্তৱৰ্তী অঞ্চলৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে কেইবাটাও পথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ৩৫০ কোটি টকা ব্যয়েৰে কাট্ৰাত নিৰ্মাণ কৰিবলগীয়া শ্ৰীমাতা বৈষ্ণ'দেৱী চিকিৎসা উৎকৰ্ষ প্ৰতিষ্ঠানৰো তেওঁ আধাৰশিলা স্থাপন কৰিব। এইখন ৰিয়াচি জিলাৰ প্ৰথমখন চিকিৎসা মহাবিদ্যালয় হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰাৰ দিশে অগ্ৰসৰ হৈছে। সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ ভাৰতে বিগত দশকত উল্লেখনীয় ৰূপান্তৰ সাধন কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে যোৱা ১১টা বছৰত গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। আজি দেশৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ দ্বাৰা ভাৰতীয় সভ্যতাৰ গৌৰৱ পুনৰুদ্ধাৰ সন্দৰ্ভত আলোকপাত কৰা হৈছে।

বিগত দশকটোত ভাৰতৰ সাংস্কৃতিক যাত্ৰা এটা দৃষ্টিনন্দন আল্পনাৰ দৰে ৰঙীণ, পৰম্পৰাক প্ৰতিফলিত কৰা আৰু বিশ্বমুখী আছিল। হাম্পিৰ প্ৰাচীন মন্দিৰৰ পৰা ধ্ৰুপদী সংগীত আৰু নৃত্যৰ প্ৰচলিত পৰম্পৰাক চৰকাৰে নতুন ৰূপত পুনৰুজ্জীৱিত কৰি তুলিছে। অযোধ্যাৰ ৰাম মন্দিৰ জনসাধাৰণৰ ঐতিহাসিক অভিলাষ পূৰণ কৰি দেশৰ বিশ্বাস আৰু ৰাষ্ট্ৰীয় একতাৰ অনন্য প্ৰতীক  হিচাপে পৰিগণিত হৈছে। তদুপৰি বাৰানসীৰ কাশী বিশ্বনাথ ধাম কৰিড'ৰ প্ৰকল্পই কাশী বিশ্বনাথ মন্দিৰক পৱিত্ৰ গংগা নৈৰ সৈতে সংযুক্ত কৰি তীৰ্থ যাত্ৰীসকলক অভিনৱ অভিজ্ঞতাৰ স্বাদ দিছে। পাঁচ হাজাৰ কোটি টকা আৱণ্টন কৰা স্বদেশ দৰ্শন আঁচনিয়ে দেশত ৭৬টা প্ৰকল্প ৰূপায়ণেৰে পৰিবহণ আন্তঃগাঁথনিৰ বিস্তৰ ৰূপান্তৰ সাধন কৰিছে। একেদৰে হৃদয় আঁচনিৰ অধীনত ১২ খন ঐতিহ্য নগৰীক বিকশাই তোলাৰ লক্ষ্য লোৱা হৈছে।

ooooo

অসমৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহৰো বান পৰিস্থিতি সামান্য উন্নত হোৱা পৰিলক্ষিত হৈছে। এই বানত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৮ লৈ বৃদ্ধি পাইছে। ইয়াৰে ২১ গৰাকী অসমৰ ১২ গৰাকী, অৰুণাচলৰ, ৬ গৰাকী মেঘালয়ৰ, ৫ গৰাকী মিজোৰামৰ,  দুগৰাকী ত্ৰিপুৰাৰ আৰু এগৰাকীকৈ নাগালেণ্ড আৰু মণিপুৰৰ লোক আছে।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে জনোৱা মতে বৰ্তমানৰ ৰাজ্যখনৰ ১৯ খন জিলাৰ ৫ লাখ ৬০ হাজাৰ লোক এই বানৰ কবলত পৰিছে। সাম্প্ৰতিক বানত যোৱা বুধবাৰলৈকে ৰাজ্যখনৰ ২১ খন জিলাৰ ৬ লাখ ৭৮ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছিল। ব্ৰহ্মপুত্ৰৰ লগতে বুঢ়ীদিহিং, কপিলী, বৰাক, ধলেশ্বৰী, কাটাশাল আৰু কুচিয়াৰা নদীৰ জলস্তৰ এতিয়াও বিপদ সীমাৰ ওপৰত আছে।

মণিপুৰত সাম্প্ৰতিক বান পৰিস্থিতি কিছু উন্নত হৈছে। অৰুণাচলতো বান পৰিস্থিতিৰ সামান্য উন্নতি হৈছে বুলি আমাৰ আকাশবাণীৰ সংবাদদাতাই জনাইছে। উল্লেখযোগ্য যে, সাম্প্ৰতিক বানত অৰুণাচলত ৩৩ হাজাৰ ২০০ লোক ক্ষতিগ্ৰস্ত হৈছে।   একেদৰে ত্ৰিপুৰা, মেঘালয়, মিজোৰাম আৰু নাগালেণ্ডতো সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে।

ooooo

ছিকিমত এম আই ছেভেণ্টিন শ্ৰেণীৰ হেলিকপ্তাৰ, ভাৰতীয় সেনা, বায়ুসেনা আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে ছিকিমৰ চটেনত আৱদ্ধ হৈ থকা পৰ্যটকসকলক উদ্ধাৰ কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আছে। অৱশ্যে প্ৰতিকূল বতৰৰ বাবে কালি এই অভিযান বন্ধ ৰাখিবলগীয়া হৈছিল। আৱদ্ধ পৰ্যটকসকলক বাগডোগ্ৰালৈ নিৰাপদে ঘূৰাই অনাৰ বাবে ছিকিম চৰকাৰে প্ৰয়োজনীয়া ব্যৱস্থা গ্ৰহণ কৰিছে। কালি পুৱাৰ ভাগত এম আই ছেভেণ্টিন শ্ৰেণীৰ হেলিকপ্তাৰেৰে আৱদ্ধ হৈ থকা ১০৯ গৰাকী পৰ্যটকৰ ভিতৰত ৬৩ গৰাকীক চটেনৰ পৰা পাকয়ং বিমান বন্দৰলৈ অনা হয়। পৰ্যটকসকলক শিলিগুৰিলৈ লৈ যোৱাৰ বাবে ছিকিম চৰকাৰে বিশেষ বাছৰ ব্যৱস্থা কৰিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰে কালি নতুন দিল্লীত কাজাখস্তানৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মুৰাট নুৰ্টলিউৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত ড° জয়শংকৰে ভাৰত আৰু কাজাখস্তানৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ বাবে এখন চুক্তিত স্বাক্ষৰ কৰে। তেওঁ ৰাজনীতি, বাণিজ্য, বিনিয়োগ আৰু শক্তিৰ সহযোগিতা আদিৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰে। ড° জয়শংকৰে লগতে মধ্য এছিয়া অঞ্চলত যোগাযোগ বৃদ্ধি কৰা বিষয়ত বাৰ্তালাপ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে কাজাকস্তানৰ উপ-প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত শূণ্য সহনশীলতাৰ স্থিতিক দোহাৰাৰ বাবে ভূয়সী প্ৰশংসা কৰিছে।

০০০০০

জম্মু-কাশ্মীৰত সেনা বাহিনীয়ে অহা ৩ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া ৩৮ দিনীয়া অমৰ নাথ যাত্ৰাৰ সম্পূৰ্ণ নিৰাপত্তাৰ প্ৰতি দৃষ্টি ৰাখি এক বিস্তৃত নিৰাপত্তা পদক্ষেপ হিচাপে অপাৰেছন শিৱা আৰম্ভ কৰিছে। যোৱা ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাকে ধৰি শেহতীয়া নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, জম্মু-কাশ্মীৰ আৰক্ষী আৰু শ্ৰীঅমৰনাথ জী তীৰ্থ পৰিষদৰ উদ্যোগত সেনা বাহিনীয়ে তীৰ্থযাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে। অপাৰেচন শিৱাত ৪২ হাজাৰৰো অধিক নিৰাপত্তাৰক্ষী জড়িত হৈ আছে।

০০০০০

ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰববী মোহন ভাগৱতে কয়, যে যুদ্ধ যিহেতু প্ৰক্সি যুদ্ধ আৰু চাইবাৰৰ আক্ৰমণৰ দৰে নতুন ধাৰালৈ সলনি হৈছে। সেয়েহে প্ৰতিৰক্ষা খণ্ডত আমাৰ দেশৰ আত্মনিৰ্ভৰশীল হোৱা উচিত। তেওঁ কয়, যে প্ৰতিৰক্ষা বাহিনী আৰু চৰকাৰে নিজৰ কৰ্তব্য পালন কৰি থকাৰ সময়তে সমাজত প্ৰকৃত শক্তি নিহিত হৈ থাকে। কালি নাগপুৰৰ ৰেচিমবাগত কৰ্মকৰ্তা বিকাশ বৰ্গ ২ৰ সাৰৰণি অনুষ্ঠানত ভাষণ দি ড° ভাগৱতে এই দৰে কয়। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা জনজাতীয় নেতা অৰবিন্দ নেতাম এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ ভাষণত শ্ৰীনেতামে কয়, যে বলপূৰ্বক ধৰ্মান্তৰণকৰণ ৰোধ কৰিবলৈ কঠোৰ আইন প্ৰণয়ন কৰিব লাগে। উল্লেখযোগ্য যে, স্বয়ংসেৱকসকলৰ বুজাবুজি আৰু সামৰ্থৰ বৃদ্ধিৰ বাবে কৰ্মকৰ্তা বিকাশ বৰ্গ হৈছে এক প্ৰশিক্ষণ শিৱিৰ। যোৱা মাহৰ ১১ তাৰিখে আৰম্ভ হোৱা এই ২৫ দিনীয়া প্ৰশিক্ষণ শিৱিৰত বিভিন্ন শৈক্ষিক আৰু পেছাদাৰী পটভূমিৰ পৰা অহা প্ৰায় ৮৪০ গৰাকী স্বয়ংসেৱকে অংশগ্ৰহণ কৰিছে।

০০০০০

কৰ্ণাটকৰ মুখ্যমন্ত্ৰী চিদ্দাৰামায়াই ছিন্নস্বামী ষ্টেডিয়ামত পদপিষ্ট হৈ ১১ জন লোকৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত বেংগালুৰুৰ আৰক্ষী আয়ুক্ত বি. দনায়ন্দ আৰু ভালেকেইগৰাকী জ্যেষ্ঠ বিষয়াক নিলম্বন কৰিছে। তেওঁ লগতে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু দল, ইভেন্ট মেনেজমেণ্ট ফাৰ্ম ডি এন এ এণ্টাৰটেণ্টমেণ্ট আৰু কৰ্ণাটক ৰাজ্যিক ক্ৰিকেট এছ'চিয়েচনৰ প্ৰতিনিধিকো গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশ দিছে। এই সকলৰ বিৰুদ্ধে বিভিন্ন অভিযোগত এজাহাৰ ৰুজু কৰা হৈছে। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ ন্যায়াধীশ পৰ্যায়ৰ তদন্তৰ ঘোষণা কৰিছে। কৰ্ণাটক উচ্চ ন্যায়ায়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ মাইকেল ডি. কুনহাৰ নেতৃত্বত গঠিত এজনীয়া বিৰাৰপীঠে ৩০ দিনৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰিব। উল্লেখযোগ্য যে, যোৱা বুধবাৰে সন্ধিয়া

ষ্টেডিয়ামৰ বাহিৰত আই পি এল প্ৰতিযোগিতাত প্ৰথমবাৰৰ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে বিজয় লাভ কৰাৰ পাছত বহু সংখ্যক লোকৰ সমাগম হৈছিল আৰু তাত পদপিষ্ট হৈ ১১ জনকৈ লোকৰ মৃত্যু ঘটিছিল। এই ঘটনাৰ প্ৰতিবাদৰ বিজেপিৰ সাংসদ তথা ৰাষ্ট্ৰীয় মুখপাত্ৰ সম্বিত পাত্ৰই কৰ্ণাটকৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰিছে।

ooooo

ভাৰতৰ চিৰাগ ছেট্টি আৰু সাত্বিকসাইৰাজ ৰণকীৰেড্ডীৰ যুটীটো ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত আজি জাকাৰ্টাত মালয়েছিয়াৰ মান ৱেই ছুং আৰু টি কাই ৱনৰ মুখামুখি হ'ব। ইয়াৰ পূৰ্বে চিৰাগ আৰু সাত্বিক সাইৰাজৰ যুটীটোৱে জাকাৰ্টাত অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ ৰাচমছ কেজৰ আৰু ফ্ৰেড্ৰিক ছোগাৰ্ডৰ যুটীটোক ২-১ গেমত পৰাস্ত কৰে। মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু থাইলেণ্ডৰ পোৰ্ণপাৱি চোছুৱঙৰ হাতত ১-২ গেমত পৰাভূত হয়। একেদৰে মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ ম্যু মাৎসুমোটো আৰু য়ুকি ফুকুছিমাৰ হাতত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

ooooo

**সমাপ্ত**